ৰাইজৰ জাতীয় স্বাৰ্থ হানি-বিঘিনি নোহোৱাকৈ আন দলৰ লগত বন্ধুত্ব, আসনৰ বুজাবুজি বা সময়ত চৰকাৰ গঠন কৰিবলৈ সমৰ্থন বা একত্রিত হোৱাত কাৰো হয়তো দ্বিমত নাথাকিব। কিন্তু সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ বোকোচাত উঠি স্থানীয় স্বাভিমানক বন্ধকত দিয়া কোনো অসমীয়াই কামনা নকৰে; বৰ্তমান সময়ত..



অসমত আঞ্চলিকতাবাদৰ ছায়া-প্রচ্ছায়া

আৰু ৰাজনৈতিক দলৰ গতিবিধি

কুশল কুমাৰ দাস

অসমৰ আঞ্চলিক দলৰ ৰাজনীতি কোনোপধ্যে আশাব্যঞ্জক নহয়। ৰাজনৈতিক দলবোৰে শিপাৰ কথা পাহৰি ক্ষমতাৰ খঁকত ল'বলৈ অলপো চিন্তা নকৰে। ইয়াৰ ফলতে স্বাৰ্থ হানি-বিঘিনি নোহোৱাকৈ আন দলৰ লগত বন্ধুত্ব, আসনৰ বুজাবুজি বা সময়ত চৰকাৰ গঠন কৰিবলৈ সমৰ্থন বা একত্রিত হোৱাত কাৰো হয়তো দ্বিমত নাথাকিব। কিন্তু সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ বোকোচাত উঠি স্থানীয় স্বাভিমানক বন্ধকত দিয়া কোনো অসমীয়াই কামনা নকৰে; বৰ্তমান সময়ত কেইবাটাও এনে দলে ৰাজনৈতিক ক্ষমতালাভৰ স্বাৰ্থত হিতাহিত জ্ঞান হেৰুৱাই দলৰ লক্ষ্য আৰু আদৰ্শক বিসৰ্জন দিবলৈ সাজু হোৱা ভূমিকা কোনোপধ্যে গ্রহণযোগ্য হয়তো নহ'ব পাৰে। ৰাষ্ট্ৰীয় দলবোৰে খোপনি পুতিবৰ বাবে সদায়ে সুযোগ সন্ধানী হৈ আঞ্চলিক দলৰ প্রভুত্ব থকা ৰাজ্যবোৰত প্রয়াস চলাই থাকে আৰু আঞ্চলিক দলক কাবু কৰি গোজে গজালি হ'বলৈ চেষ্টা কৰে। অনুপ্রেৰণকাৰী আৰু বহিৰাগতৰ আগ্রাসনৰ সমস্যা আৰু ভাৰতৰ আন ৰাজ্যৰ তুলনাত উন্নয়নৰ স্থবিৰতা, স্বাস্থ্য আৰু শিক্ষাৰ অনগ্রসৰতাৰ বাবে ১৯৭৯ চনৰ অসম আন্দোলনে গা-কৰি উঠিছিল। তেতিয়াৰ পৰা আঞ্চলিকতাবাদী ভাবধাৰা আৰু চেতনা প্রকৃত অর্থত শক্তিশালী হৈ উঠিছিল। ১৯৮৫ চনৰ ১৫ আগষ্টৰ পুৰতি নিশা অসম চুক্তিৰ পাছতে শক্তিশালী আঞ্চলিক ৰাজনৈতিক দল 'অসম গণ পৰিষদ' গঠন হৈছিল। অসমৰ জাতি-জনগোষ্ঠীৰ মনত এটা নতুন যুগৰ সূচনা হোৱা বুলিয়ে সন্তুষ্টি লভিছিল। জাতিৰ অস্তিত্ব ৰক্ষাৰ চূড়ান্ত আৰু শেষ সম্বল হিচাপে বৃহত্তৰ অসমীয়া জাতিক ৰক্ষা কৰাৰ শেষ ভৰসা অগপ আজি যেন শ্রান্ত-ক্লান্ত, অসমীয়া মানুহৰ আশা-ভৰসাক জলাঞ্জলি দি গুই পৰিছে নতুবা অগপৰ নামধাৰী চেতনাহীন প্রতিমূর্তি এটাহে আছে। কেৱল নির্বাচনৰ প্রাক্‌মুহূর্তত ধূপ-ধুনা, চাকি-বস্তি জ্বলাই নিজৰ অস্তিত্ব দোহাবে। এই দলে এসময়ত সকলোৰে মন প্রফুল্লিত কৰি তুলিছিল। ইংৰাজৰ প্রত্যাগমনৰ পাছত অসম ভাৰতৰ সৈতে চামিল হ'ল যদিও শাসনত থকা ৰাজনৈতিক দলৰ নেতা-পালিনেতাই ক্ষমতা নিজৰ হাতত ৰাখিবলৈ ভোট বেংকৰ ক্ষেত্র তৈয়াৰ কৰি অসমৰ সাৰুৱা ভূমিত বিদেশীক বঙা দলিচা পাৰি দিছিল। স্বাধীনতাৰ প্রায় তিনিটা দশকৰ অন্তত অসমীয়া মানুহে বুজি উঠিল, নিজৰ জন্মভূমিত অসমীয়াই নিজে ভগনীয়া হ'বলৈ বেছি দিন নালাগিব। প্রায় ছটা বছৰৰ এটা দিনো শান্তিত শুৱ নোৱৰা অসমীয়াই পালে এখন চুক্তি, যাৰ প্রতিটো দফা এতিয়াও ভালকৈ কার্যকৰী হোৱা নাই। বর্তমান শাসনত থকা চৰকাৰে দুই-এটা দফা 'সাপো মৰক লাঠীও নাভাঙ'ক কৌশলেৰে কার্যকৰী কৰিবলৈ ধৰিছে; নকৰিলেও উপায় নাই, কাৰণ বিপন্ন হ'ব ধৰা জাতিক ৰক্ষা কৰিব নোৱাৰিলে প্রতিবেশী ৰাষ্ট্ৰ বাংলাদেশে উত্তৰ-পূর্বাঞ্চলক লৈ সপোন দেখা নতুন কথা হৈ থকা নাই। এটা সময়ত বিদেশী খেদা আন্দোলনৰ গুৰি ধৰোঁতাসকলক অগপ দলৰ জৰিয়তে শাসনৰ বাঘজৰীও বহু আশাৰে গতাই দিছিল; কিন্তু আঞ্চলিকতাবাদৰ ধাৰাবাহিকতা অগপ দলটোৰে ধৰি ৰাখিব নোৱাৰিলে। সর্বভাৰতীয় ৰাজনৈতিক দলৰ পাকচক্রত পৰি ভৰি পিছল খালে নতুবা ডেউকা ভগা পক্ষীৰ দৰে উৰিব নোৱৰা হ'ল। যি আঞ্চলিক ৰাজনীতিৰ জন্ম হৈছিল, সেয়া হেনো ভমকৰ্কে জ্বলি উঠা কেৰাচিন তেলৰ জুইহে আছিল। কোৱা হয়, আৱেগ-সর্বস্ব জাতিৰ স্থিতি লৰক-ফৰক, মুৰ দাঙি উঠিলেও বেছি দিনলৈ চম্ভালিব নোৱাৰে। স্বাধীনতাৰ পাছত কংগ্রেছে কৰা শাসনৰ অন্ত পৰি বর্তমান ভাৰতীয় জনতা দলৰ শাসনত অসমে নতুন গতি লাভ কৰিছে। এই গতিৰ মাজত ভৰিষ্যতৰ ফলাফল কি হ'ব সেয়া সময়ত নিশ্চয় গুণ-গান কৰিম। কিন্তু 'ভাজপা'ৰ শাসন কালত আঞ্চলিকতাবাদ কি ৰূপত আছে? ভাব হয়, আঞ্চলিকতাবাদৰ নামত কিছুমান ক্ষমতালোভী ঠিকাদাৰে নিজৰ সম্ভাব্য শক্তিৰ ওপৰত বিশ্বাস নথকা বাবে ঠেক ছিঙা কাপত চাহ খাই হাত পুৰিলেও পোৱক নীতিৰে আগুৰাই যাব বিচাৰে। অসমত আঞ্চলিকতাবাদ ব্যংগ নাটৰ আখৰা যেনেহে লাগে। অক্টোপাছৰ আহাৰ হ'বলৈ কোনো ভয়-ভীত নাই। এসময়ৰ চৰকাৰীতন্ত্রৰ চৰ, ভুকু, লাঠীৰ কোব পাহৰি যোৱা আঞ্চলিক দলৰ এতিয়া যেন অভাৰ নাই। ধুবুৰীত কংগ্রেছৰ নেতাক বৃহৎ ভোটৰ নেতাই নিজক জাহিৰ কৰিবলৈ গৌৰৱত তালফাল লগাই, তেনে নেতাই অসমীয়াৰ বাবে জা চলায়? ইয়াত জাতীয়তাবোধৰ চানেকি নাই; ক্ষমতাকেন্দ্রিক ৰাজনীতিহে আছে। ১৯৮৫ চনত গঠন হোৱা অসম গণ পৰিষদ বাইজৰ প্রাণবো প্রাণৰ আঞ্চলিক দল আছিল। বাইজৰ প্রাণৰ মমতাক সময়ত ধৰি ৰাখিব নোৱাৰিলে; আশাত চেঁচা পানী ঢালি ক্ষমতাৰ খোৱা-কামোৰাত তেজক পানী কৰি শহীদৰ ত্যাগৰ বিনিময়ত গঢ়ি তোলা অসমীয়াৰ স্বাভিমানক তিৰস্কাৰ কৰিবলৈ একো বাদ নাৰাখিলে। বর্তমান অগপৰ লগতে আন দলবোৰেই নীতি-হেতা-ওপৰা লগাইছে। এয়া জানো প্রকৃত আঞ্চলিক ৰাজনীতিৰ ধর্ম? আঞ্চলিকতাবাদৰ আৰ্হিযুক্ত জাঁকাবোৰে ক্ষমতাৰ লালসাত মাজে-সময়ে ভূতৰ দৰে স্বগতোক্তি কৰি প্রৰচন মাতে আৰু শুই থাকে। বাইজক লৈ ৰাজনীতি কৰিবলৈ এতিয়াও এঁৰা নাই; কার্যকুশলতাৰ ধর্ম তিলমানো নাই, কেৱল অট্টহাস্য কৰি জনতাক আভুৰা-ভাঁৱে। বর্তমান সময়ত আঞ্চলিকতাবাদৰ গইনা লৈ ঢাল তবোৱাল নোহোৱাকৈ অতীতৰ তেজ শুহি খোৱা সর্বভাৰতীয় দলৰ সৈতে বিৰোধী ঐক্যৰ জংক-পংকৰ কথা কয়। এবাৰ সাপে খোঁটাৰ পাছতো সাপৰ বিষ পাহৰি কেৱল ক্ষমতা দখলৰ সপোনত উটি-ভাহি যোৱাটো একমাত্র লক্ষ্য হৈ পৰে। উত্তৰ-পূর্বাঞ্চলত আঞ্চলিকতাবাদ বিশুদ্ধভাৱে বর্তি থকা সম্ভৱ নহয়; কাৰণ সর্বভাৰতীয় ৰাজনৈতিক দলৰ সর্বগ্রাসী আগ্রাসনত আত্মসমর্পণ কৰা এটা সাধাৰণ কথা হৈ পৰিছে। বিশেষকৈ কেন্দ্র-ৰাজ্যৰ মাজৰ সম্পর্কৰ ক্ষেত্রত ক্ষমতাত থকা দলে আঞ্চলিক দলৰ অভ্যন্তৰীণ পৰিকাঠামো ভাঙি পেলায়। কোকৰাঝাৰত ইউ পি পি এলৰ নাটকৰ যবনিকা পৰাৰ পাছতে হাগ্রামা মহিলাৰীৰ নাটক আৰম্ভ হৈছে। যেনেকৈ নহওক, কোকৰাঝাৰত আঞ্চলিক ৰাজনীতি ৰাষ্ট্ৰীয় দলৰ পৰা পৃথক ৰূপত কৌশলেৰে ধৰি ৰাখিছে। জাতি-জনগোষ্ঠীৰ অধ্যুষিত অঞ্চলবোৰে বড়ো আঞ্চলিক ৰাজনীতিক আদর্শ হিচাপে লৈ নিজৰ অঞ্চলত জাতীয়তাবাদ শক্তিশালী কৰি ৰাখিব পাৰে। তেতিয়া ৰাষ্ট্ৰীয় দলৰ লেম ধৰা ৰূপত থকাৰ প্রশ্নই নুঠে। অগপৰ শাসন কালৰ পৰা লক্ষ্য কৰিলে দেখা যায় শক্তিশালী আঞ্চলিক দলৰ বুকুৰ কুটুম হৈ প্রথমে আলহী আৰু পাছত গৃহস্থৰ দুর্বলতাৰ সুযোগ বুজি এদেউ-দুদেউ লেটা নিয়াৰ ছেওৰে খোপনি পুতি লোৱা সমস্যাৰ প্রতি গুৰুত্ব নিদিয়াৰ ফলতে আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম হয়। তেনে সমস্যাৰ সমাধানৰ স্বাৰ্থত ক্ষেত্রীয় জনতাৰ আস্থাভাজন হৈ থকাৰ ওপৰতে আঞ্চলিক ৰাজনীতিৰ অস্তিত্ব। বড়ো ৰাজনীতিয়ে একমাত্র তেনে ধাৰা ধৰি ৰাখিব পাৰিছে। ইয়াৰ বিপৰীতে অসমৰ আনবোৰ ৰাজনৈতিক দল ক্রমে অগপ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ সফল হ'ব পৰা নাই আৰু ভৰিষ্যতে নিজৰ স্থিতি স্পষ্ট নকৰিলে সম্ভৱ হ'ব যেন নালাগে। প্রথমতে শক্তিশালী স্থিতি এটাত উপনীত নোহোৱাকৈ কোনো আঞ্চলিক দলে ভাল ফল পাব নোৱাৰে। দল গঠন কৰিয়ে যিদৰে অসম জাতীয় পৰিষদে অসমৰ ইতিহাসত ক'লা অধ্যায়ৰ সূচনা কৰা ৰাষ্ট্ৰীয় দলৰ বোকোচাত উঠি শাসকীয় দলক ক্ষমতাচ্যুত কৰাৰ বাবে মুকলিকৈ হাত উজান দিলে, সেয়া কোনোপধ্যে অসমৰ ৰাইজে গ্রহণযোগ্য বুলি নলয়। নিজৰ ৰাজনৈতিক ক্ষমতা শক্তিশালী কৰি বি পি এফ বা ইউ পি পি এলৰ দৰে থাকিলে ৰাষ্ট্ৰীয় দলে এনেয়ে ওচৰ চাপিব। এককভাৱে পাঁচৰ পৰা দহখন বিধানসভাৰ আসন হস্তগত কৰি আঞ্চলিক দলবোৰে নিজৰ আদর্শ ৰাইজৰ স্বাৰ্থত আগুৰাই নিবলৈ পাৰিব। কাৰণ চৰকাৰ গঠন কৰিবলৈ ৰাষ্ট্ৰীয় দলে আঞ্চলিক দলৰ সহায় লোৱা পৰিবেশ এটা সৃষ্টি কৰিব পাৰিলেহে গণতন্ত্র ৰক্ষা পৰিব। অন্যথা দেশৰ শাসন ব্যৱস্থা যিদৰে পৰিবর্তন হ'বলৈ ধৰিছে, সংবিধানৰ আওতাৰ মাজত অদূৰ ভৰিষ্যতে নাথাকিব। কাৰণ শাসন ব্যৱস্থাত শাসক দলৰ অনুকূলে ভৰিষ্যতৰ পথ মসৃণ কৰি ৰাখিবলৈ সংবিধান সংশোধন কৰা সাধাৰণ কথা হ'ব। বর্তমানৰ ৰাজনৈতিক দলবোৰে যি বিৰোধী ঐক্যৰ সংৰচনাত মচগুল হৈ আছে, তাৰ কোনোপধ্যে ভাল ফল নাপাব। কাৰণ ভোট জনতাইহে দিব। এটা বিজ্ঞাপনত যে কয়— 'মই ইমান মূর্খ নহয়।' এতিয়াৰ জনতা অবোধ হৈ থকা নাই। যদি একক সংগ্রামত বড়ো আঞ্চলিক দলৰ দৰে আগবাঢ়ি ৰ নোৱাৰে তেনেহে'লে বিৰোধীৰ ঐক্য সান্দহ খোৱা বালিৰ দৰে ছেদেলি-ভেদেলি হ'ব। আঞ্চলিক ৰাজনীতি দেশৰ বাবে আশীৰ্বাদ তেতিয়াহে হ'ব যেতিয়া ক্ষুদ্র জাতিসত্তাসমূহৰ ঐতিহ্য-পৰম্পৰাক আস্থাত লয়, অন্যথা ক্ষমতাৰ বাবে কৰা তেনে ৰাজনীতি জনতাৰ বাবে অভিশাপ হ'ব।

লেখক যোৰহাট মহাবিদ্যালয়ৰ
সহযোগী অধ্যাপক
■ ফ'ন : ৯১০১১২২৬৩৮



> প্রথমতে শক্তিশালী স্থিতি এটাত উপনীত নোহোৱাকৈ কোনো আঞ্চলিক দলে ভাল ফল পাব নোৱাৰে। দল গঠন কৰিয়ে যিদৰে অসম জাতীয় পৰিষদে অসমৰ ইতিহাসত ক'লা অধ্যায়ৰ সূচনা কৰা ৰাষ্ট্ৰীয় দলৰ বোকোচাত উঠি শাসকীয় দলক ক্ষমতাচ্যুত কৰাৰ বাবে মুকলিকৈ হাত উজান দিলে, সেয়া কোনোপধ্যে অসমৰ ৰাইজে গ্রহণযোগ্য বুলি নলয়। নিজৰ ৰাজনৈতিক ক্ষমতা শক্তিশালী কৰি বি পি এফ বা ইউ পি পি এলৰ দৰে থাকিলে ৰাষ্ট্ৰীয় দলে এনেয়ে ওচৰ চাপিব।

ন সূচনা হোৱাটো গ্রহণযোগ্য। কিন্তু মাজুলীৰ মূল সমস্যা এতিয়া অধিনিৰ্মিত অৱস্থাত থকা দলংখনৰ খুটাকেইটায়েও কয়—মাজুলীলৈ দলংখন কেতিয়া হ'বগৈ।...

জুবিন ক্ষেত্রৰ দৰৱস্থা পোত খাই ম্লান হৈ

Scanned with OKEN Scanner